# উপভাষা-বিজ্ঞান

'উপভাষা-বিজ্ঞান' কোনো এটা উপভাষা সমষ্টিৰ অধ্যয়ন। কিন্তু উপভাষানো কি? সাধাৰণতে ভাষাৰ আঞ্চলিক ৰূপক বা শ্ৰমিক-কৃষক আদি সৰ্বসাধাৰণ লোক-সমষ্টিৰ মাজত এটা ভাষাৰ যি অশিষ্ট, নিম্ন মানবিশিষ্ট ৰূপ এটা প্ৰচলিত হৈ থাকে তাকে 'উপভাষা' বুলি ক'ব পৰা যায়; অৰ্থাৎ ভাষাৰ মান্য বা শিষ্ট ৰূপৰপৰা আঁতৰৰ কথ্য ৰূপটোক সচৰাচৰ উপভাষা বুলি ধৰা হয়।

কিন্তু এই প্ৰকৃত উপভাষাক এই সংজ্ঞাৰ দ্বাৰা আলোচনা কৰিবলৈ বিচৰা হোৱা নাই; বৰং কোনো এটা ভাষা সম্প্ৰদায়ৰ অন্তৰ্গত লোক-সমষ্টিয়ে কোৱা উপভাষাবোৰৰ আটাইবোৰকে সামৰি উপভাষা বিচাৰ কৰিবলৈ লোৱা হৈছে। উদাহৰণস্বৰূপে— মান্য অসমীয়াও (Standard Asamiya) আন এটা উপভাষাৰ দৰেই এটা উপভাষা। মান্য মৰ্যাদাসম্পন্ন হ'লেই এটা উপভাষা অন্য কোনো এটা উপভাষাতকৈ শ্ৰেষ্ঠ বা ওপৰৰ শ্ৰেণীত বুলি বুজিব নালাগিব। সেইকাৰণে উপভাষাক বিশেষ এটা ভাষাৰ বিভিন্নতৰ এক ৰূপ বুলিহে বুজিব লাগে। এনে কাৰণতে আমি অসমীয়া ভাষাৰ উপভাষা হিচাপে বৰপেটীয়া অথবা হিন্দীৰ এটা উপভাষা হিচাপে খড়ি-বোলী বা কানাড়ীৰ এটা উপভাষা হিচাপে বাঙালোৰ উপভাষাৰ কথা আলোচনা কৰিব পাৰোঁ।

একেটা ভাষাৰ বিভিন্নতাক ব্যৱহাৰ কৰাৰ ধৰণ অনুযায়ী দুটা প্ৰধান ভাগত ভাগ কৰিব পৰা যায় : (ক) আঞ্চলিক আৰু (খ) সামাজিক। ইয়াক তলত দিয়া ৰেখাচিত্ৰৰে বুজায় দিব পাৰি :

অনুভূমিকভাৱে থকা ৰেখাত আমি পাম এটা ভাষাৰ আঞ্চলিক বিভিন্নতা বা আঞ্চলিক উপভাষাক আৰু লম্বভাৱে থকা ৰেখাত পাম সামাজিক বিভিন্নতা বা সামাজিক উপভাষাক।




*চিত্ৰ : ৪*



অনুভূমিকভাৱে থকা ৰেখাই এটা ভাষাৰ তাৰ ভৌগোলিক পৰিসীমাৰ মাজত যি ধ্বনিগত, ৰূপগত আৰু শব্দগত বিভিন্নতা দেখা যায় সেই অনুসৰি বিভিন্ন ঔপভাষিক অঞ্চলত বিভক্ত কৰা হয়। কিন্তু ভাষাৰ এনে বিভিন্নতাবোধক (বা উপভাষাক) কেৱল ভৌগোলিক অঞ্চল অনুযায়ী সম্পূৰ্ণ ৰূপত আলোচনা কৰিব নোৱাৰি। সেই কাৰণে অন্য পৰিসৰো আলোচনাৰ মাজলৈ আনিব লগা হয় অৰ্থাৎ লম্বভাৱে থকা পৰিসৰ বা সামাজিক পৰিসৰো ভৌগোলিক পৰিসীমাৰ লগতে আলোচনা কৰিব লগা হয়; বিশেষকৈ চহৰাঞ্চলত সেই ভাষা কোৱা লোক-সমষ্টিৰ ভাষিক বিভিন্নতা সামাজিক গাঁথনিৰ লগতহে সম্বন্ধযুক্ত। সামাজিক শ্ৰেণী অনুসৰি ভাষা-প্ৰণালীৰ বিভিন্ন দিশত ভাষাৰ বিভিন্নতাই দেখা দিয়ে।

প্ৰাচীন ধাৰাৰ 'উপভাষা-বিজ্ঞান'ত 'উপভাষা-ভূগোল' শীৰ্ষক নামকৰণেৰে কেৱল অনুভূমিকভাৱে থকা পৰিসৰক লৈয়ে আলোচনা কৰা হৈছিল, অৰ্থাৎ কোনো এটা ভাষাত তাৰ ভৌগোলিক অঞ্চলৰ ভিতৰত দেখা দিয়া বিভিন্ন আঞ্চলিক ৰূপক লৈয়ে প্ৰধানতঃ আলোচনা কৰিছিল; কিন্তু সাম্প্ৰতিক কালত আধুনিক ভাষা-বিজ্ঞানীৰ চিন্তাধাৰাই প্ৰাচীনধাৰাৰ উপভাষা-বিজ্ঞানৰ চৰ্চাত প্ৰভাৱ পেলাইছে। যি লম্বমান পৰিসৰক অৰ্থাৎ সামাজিক উপভাষা অধ্যয়নক প্ৰাচীন উপভাষা-বিজ্ঞানত আওকাণ কৰা হৈছিল, তাক গুৰুত্ব আৰোপ কৰি 'সামাজিক' বা 'চহৰাঞ্চলিক উপভাষা-বিজ্ঞান' (Urban dialectology) নামকৰণেৰে উপভাষাৰ আলোচনাত নতুন আলোকপাত কৰিবলৈ বিচৰা হৈছে। চহৰাঞ্চলিক উপভাষা বিজ্ঞান ভাষা বিজ্ঞান অধ্যয়নত সাম্প্ৰতিক কালত বিকাশ লাভ কৰা 'সমাজ ভাষাবিজ্ঞান' (Socio-linguistics) নামৰ আলোচনাৰ অন্তৰ্গত। 'সমাজ ভাষা-বিজ্ঞান'ত সমাজ আৰু ভাষাৰ মাজত থকা সম্বন্ধৰ সকলো দিশ অধ্যয়ন কৰা হয়।

কোনো এটা ভাষাৰ বিভিন্ন উপভাষাক শ্ৰেণীবদ্ধ কৰা বা পাৰ্থক্য নিৰ্ণয় কৰাৰ ভিত্তি হ'ল এটা উপভাষা কোৱা লোকসকলৰ ভাষিক প্ৰণালী অন্য এটা উপভাষা কোৱা লোকসকলতকৈ মাত্ৰ কেইটামান দিশতহে সুকীয়া ধৰণৰ হ'ব পাৰে; অৰ্থাৎ এটা ভাষাৰে ই এনে এক ৰূপ যিটো সুকীয়া হ'লেও কোনো বিশেষ প্ৰশিক্ষণ নোলোৱাকৈও পাৰস্পৰিক বোধগম্যৰ ভিতৰৰ। উদাহৰণস্বৰূপে— বৰপেটীয়া উপভাষা কোৱা এজন লোকে তেজপুৰীয়া উপভাষা অনায়াসে বুজি পাব, কিন্তু কলিকতা বা মেদিনীপুৰৰ উপভাষা বুজি নাপাব। সেইকাৰণে আমি বৰপেটা আৰু তেজপুৰৰ উপভাষাক এটা ভাষাৰে উপভাষা বুলি গণ্য কৰিব পাৰোঁ আৰু কলিকতা আৰু মেদিনীপুৰৰ উপভাষাক অন্য এটা ভাষাৰ উপভাষা বুলি ধৰিব পাৰোঁ।

কেতিয়াবা কেতিয়াবা ৰাজনৈতিকভাৱে একত্ৰীকৰণ কৰা অঞ্চলত প্ৰচলিত ভাষিক ৰূপকো উপভাষাৰ ভিতৰত ধৰিব পৰা হয়। উদাহৰণস্বৰূপে— হলেণ্ড-জাৰ্মানীৰ সীমাৰ দুইফালে যি বিভিন্ন প্ৰকাৰ জাৰ্মান ভাষা কোৱা হয় সেইবিলাকক কেতিয়াবা পাৰস্পৰিক

Scanned with CamSc

সাদৃশ্য-বৈসাদৃশ্য বিচাৰ নকৰাকৈ ওলন্দাজী আৰু জাৰ্মান দুইভাষাৰে উপভাষা বুলি গণ্য কৰা হয়। ঠিক একেধৰণেৰে আপেক্ষিকভাৱে পাৰস্পৰিক বোধগম্যতা থকা সত্বেও চুইডিছ, নৰৱেজিয়ান আৰু ডেনিছ ভাষাক, বিশেষকৈ নৰৱেজিয়ান আৰু ডেনিছ ভাষাৰ মাজত পাৰস্পৰিক সম্বন্ধ অত্যধিক সত্বেও, সুকীয়া সুকীয়া ভাষা স্বৰূপেহে আলোচনা কৰা হয়।

কেতিয়াবা আকৌ একেই লিখন-প্ৰণালী ব্যৱহাৰ থকা কাৰণতো বিভিন্ন ভাষাক উপভাষা বুলি গণ্য কৰা হয়। চীন আৰু চীনৰ বাহিৰত, যেনে— মালয়, হংকং, ফৰমোছা আদিত প্ৰচলিত চৈনিক ভাষাৰ (Chinese Language) বিভিন্ন ৰূপবোৰক চৈনিক ভাষা বুলিয়েই কোৱা হয় : অথচ উত্তৰ-চীন অঞ্চলত প্ৰচলিত চৈনিক বা 'মান্দাৰিণ' (যি চৈনিক ভাষাৰ মান্য ৰূপ) আৰু দক্ষিণ-চীন অঞ্চলত 'কেন্টনিজ' (Cantonese)ৰ মাজত পাৰস্পৰিক বোধগম্যতা নাই বুলি ক'ব পাৰি। কিন্তু লিপিৰ সাদৃশ্যৰ কাৰণে এইবোৰ চৈনিক উপভাষা বুলিয়েই বিবেচনা কৰা হয়।


**পাৰস্পৰিক বোধগম্যতা (Mutual intelligibility) :**

যেতিয়া কোনো এটা ভাষাৰ উপভাষাসমূহৰ শাখা-প্ৰশাখাক চিহ্নিত কৰিবলৈ বিচৰা হয় বা সেইবিলাকৰ সীমা নিৰ্ধাৰণ কৰিবলৈ বিচৰা হয়, তেতিয়া ভাষা-বিজ্ঞানী বা উপভাষা বিজ্ঞানীসকলে কোনো কোনো সময়ত পাৰস্পৰিক বোধগম্যতাকে (mutual intelligibility) মূল নীতি হিচাপে মানি ল'বলৈ বিচাৰে। কিন্তু প্ৰকৃতপক্ষে পাৰস্পৰিক বোধগম্যতাক মূল নীতি হিচাপে লোৱাত কিছুমান অসুবিধা আছে। তলত এনে অসুবিধাৰ কাৰণ হিচাপে এটা অনুমানসিদ্ধ উদাহৰণ দাঙি ধৰা হ'ব।

ধৰি লোৱা হওক, কোনো এটা ভাষিক অঞ্চলত এটাৰ পিছত এটাকৈ বিভিন্ন উপভাষা প্ৰচলিত আছে—যিবোৰ ওচৰতে থকা অঞ্চলৰ লোকে বুজিব পাৰে; কিন্তু একেবাৰে দূৰত থকা উপভাষাটো প্ৰথমটো উপভাষা কোৱা লোকে বুজিব নোৱাৰিব। উদাহৰণস্বৰূপে— ক খ গ ঘ ঙ চ ছ জ........। ইয়াত 'ক'ৰপৰা 'জ' পৰ্যন্ত এটাৰ পিছত এটাকৈ থকা উপভাষা। ইয়াৰ ভিতৰত ক খ গ ঘ, ঘ ঙ চ, চ ছ জ-ৰ মাজত পাৰস্পৰিক বোধগম্যতা যথেষ্ট থাকিব পাৰে কাৰণে সেইবোৰক এটা ভাষাৰ উপভাষা বুলি গণ্য কৰা যাব পাৰে। কিন্তু 'ক' আৰু 'চ', 'খ' আৰু 'জ'-ৰ মাজত বোধগম্যতা কম হ'ব আৰু তেনেস্থলত সেইবোৰক উপভাষা বুলি চিহ্নিত কৰা টান হৈ উঠিব। এই ক্ষেত্ৰত ভাষা-বৈজ্ঞানিকে হয় একে ভাষাৰ ভিতৰৰ বোধগম্য নোহোৱা উপভাষা বুলি বিবেচনা কৰিব লাগিব (যেনেদৰে উত্তৰ চীনৰ চৈনিক ভাষা আৰু দক্ষিণ চীনৰ চৈনিক ভাষা পাৰস্পৰিক বোধগম্য নোহোৱা উপভাষা), নহয় ওচৰতে থকা অন্য এটা উপভাষাৰে বুজিব পৰা একেই উপভাষা বুলি মানি লৈ অঞ্চলটোক কেইবাটাও ভাষাৰে ভাগ কৰিব লাগিব আৰু তেতিয়া ইয়াৰ মাজত ভৌগোলিক বা ৰাজনৈতিক আদি অ-ভাষা বৈজ্ঞানিক শ্ৰেণীবিভাজন আহি পৰিব। এনে এটা অৱস্থা উত্তৰ-ফ্ৰান্সৰ ফৰাচী আৰু দক্ষিণ-ইটালীয় ভাষাৰ মাজত দেখা পোৱা যায়। সেই ঠাইদুখনত পাৰস্পৰিক বোধগম্যতাই ভালেকেইটা উপভাষাৰ দ্বাৰা দূৰ-দূৰণি অঞ্চলৰ সংযোগ সাধন কৰিছে, কিন্তু পেৰিছীয় ফৰাচী বা মান্য-ফৰাচী আৰু ৰোমান-ইটালীয় বা মান্য-ইটালীয় সেই অঞ্চলসমূহত পাৰস্পৰিক বোধগম্যতাৰ ভিতৰত নপৰা হৈ উঠিছে।

পাৰস্পৰিক বোধগম্যতা প্ৰকৃততে উপভাষা বিলাকৰ মাজত সম্পৰ্কিত নহয় বৰং ব্যক্তিভাষাৰ লগতহে সম্পৰ্কিত। কাৰণ ই ব্যক্তিৰ লগত জড়িত। ভাষিক যি ভিন্নৰূপ সেইবিলাক পৰস্পৰে চিনি নাপায়, ব্যক্তিৰ যি ভিন্নৰূপ সেইবোৰহে চিনি পায় বা বুজি পায়।

দুজন বা ততোধিক কওঁতাই যেতিয়া কোনো অসুবিধা নোহোৱাকৈ পৰস্পৰৰ কথা-বাৰ্তা বুজিব পাৰে তেতিয়াই আমি ক'ব পাৰো তেওঁলোকৰ উপভাষা পাৰস্পৰিক বোধগম্য বুলি। কিন্তু যদি তেওঁলোকে পৰস্পৰৰ কথা-বাৰ্তা সমূলি বুজিব নোৱাৰে তেওঁলোকৰ উপভাষা হ'ব পাৰস্পৰিক বোধগম্যহীন (mutually unintelligible)। আমি যদি কোনো ব্যক্তিভাষা নিৰ্বাচন কৰি লওঁ আৰু ইয়াৰ লগত যদি পাৰস্পৰিক বোধগম্য অন্যান্য ব্যক্তি ভাষাসমূহ তুলনা কৰো তেন্তে সেই উপভাষা সমষ্টিক এনে এটা ৰূপত আমি পাম যিটোক ক'ব পাৰো 'অজটিল ভাষা সমষ্টি' (Language-Simplex বা L-Simplex)*। এই কথাটো এনেদৰে চিত্ৰাকাৰে বুজাব পৰা যায় :




*চিত্ৰ : ৫*

ইয়াতে প্ৰতিটো বিন্দুৱে একোটা ব্যক্তিভাষা নিৰ্দেশ কৰিছে, প্ৰত্যেক বিন্দুক সংযোগ কৰা ৰেখাই পাৰস্পৰিক বোধগম্যতাৰ অৱস্থা বুজাইছে। ইয়াত ৫টা অজটিল উপভাষা সমষ্টি পাওঁ : ১-২-৩-৪-৫; ৪-৫-৬-৭; ৬-৭-৮; ৮-৯-১০ আৰু ১১। ১-২-৩-৪-৫-৬ এই সমষ্টিয়ে অজটিল ভাষা-সমষ্টি সূচনা নকৰে; কাৰণ ৬ বিন্দুৱে নিৰ্দেশ কৰা উপভাষা ১-২-৩-৪ৰ লগত পাৰ্থক্য আছে আৰু এইকেইটা সমানে পাৰস্পৰিক বোধগম্য

* *Hockett : 320 P.* *১১

Scanned with CamSc

নহয়। ১-২-৩-৪ এই চাৰিটা পৰস্পৰ বোধগম্যই নহয়, ৫ বিন্দুৱে নিৰ্দেশ কৰা ব্যক্তিভাষাৰ লগতো এইকেইটাৰ সামঞ্জস্য আছে অৰ্থাৎ ইও আনকেইটাৰ লগতে বোধগম্য হৈয়েছে ১-২-৩-৪-৫ এই গোটেইকেইটা বিন্দু ল'লেহে এটা অজটিল ভাষা সমষ্টিৰ সৃষ্টি হ'ব। এই চিত্ৰত আমি দেখিবলৈ পাওঁ যে ১১ বিন্দুৱে নিৰ্দেশ কৰা ভাষাৰ বাহিৰে সকলোবোৰ ব্যক্তিভাষাই একোটা শ্ৰেণী গঠন কৰিব পাৰে অৰ্থাৎ ১ ৰ পৰা ১০ পৰ্যন্ত সমানে পাৰস্পৰিক বোধগম্য নহ'লেও ১-৫-৬-৮ আৰু ১০ৰ সৈতে বা ১-৪-৭-৮ আৰু ১০ ৰ সৈতে একেটা শ্ৰেণীৰ; ইয়াৰ অৰ্থ হ'ল ১ৰ পৰা ১০ পৰ্যন্ত পাৰস্পৰিক সংযোজক বা সম্বন্ধযুক্ত। এনেদৰে যিবিলাক ব্যক্তিভাষা সংযোজক বা পাৰস্পৰিক মিলজনক সেই আটাইবিলাকৰ সমষ্টিয়ে গঢ়ি তোলে 'জটিল ভাষা-সমষ্টি' (Language complex বা L-complex)। ওপৰৰ চিত্ৰত ১ৰপৰা ১০ পৰ্যন্ত যি ভাষা-সমষ্টি সিয়ে জটিল উপভাষা সমষ্টি গঢ়ি তোলাৰ কথা সূচনা কৰা হৈছে ; ১১ বিন্দু অন্য এক ভাষাৰ অৱস্থিতি। এনেদৰে কোনো এটা নামেৰে কোনো এক অঞ্চলত প্ৰচলিত ভাষাত অজটিল আৰু জটিল দুই প্ৰকাৰ ব্যক্তি ভাষা থুপ খাই থাকে।

এই মতবাদ অনুসৰি দুই ভিন্ন ৰূপৰ ভাষা কোৱা লোকে পৰস্পৰৰ ভাব যদি বুজিব পাৰে তেন্তে সেই ভিন্ন ৰূপবোৰ একেটা ভাষাৰে নিদৰ্শন বুলি বুজিব লাগিব। পৰস্পৰ বুজিব নোৱৰা হ'লেই সি সুকীয়া ভাষা বুলি পৰিগণিত হ'ব।

এইটো মতবাদ উপভাষা বিচাৰৰ এক নিৰ্ণায়ক মানদণ্ড বুলি বিবেচনা কৰা হ'লেও ইয়ে শেষ সিদ্ধান্ত বুলি বুজিব নালাগিব। কাৰণ ইয়াৰ প্ৰয়োগতো কিছুমান গুৰুতৰ সমস্যা আছে। সেইবিলাকৰ কিছুমান হ'ল :

(ক) যি বিভিন্নতাৰ কাৰণে দুটা বা ততোধিক ভাষাক আমি সুকীয়া ভাষা বুলি অভিহিত কৰিব পাৰোঁ সেইবিলাক পাৰস্পৰিক বোধগম্যতাৰ ভিতৰতো হ'ব পাৰে (ফিন্নিছ আৰু লেপ্ ভাষাৰ বাহিৰে স্কান্দিনেভিয়াৰ বিভিন্ন ভাষাবিলাক এই ক্ষেত্ৰত মন কৰিবলগীয়া) আৰু যি বিভিন্নতাক আমি একে ভাষাৰে অন্তৰ্গত বুলি অভিহিত কৰিব পাৰোঁ সেইবিলাক পাৰস্পৰিক বোধগম্যতাৰ ভিতৰৰ নহ'বও পাৰে (চৈনিক ভাষাৰ উপভাষাসমূহ এই ক্ষেত্ৰত বিশেষভাৱে উল্লেখযোগ্য।)

(খ) পাৰস্পৰিক বোধগম্যতা এটা তুলনামূলক ৰূপ বা মাত্ৰা; সম্পূৰ্ণ বোধগম্যতাৰ পৰা সম্পূৰ্ণ বোধগম্যহীন অৱস্থা পৰ্যন্তই পৰিব্যাপ্ত। একে ভাষা কোৱাসকলৰ মাজত ভিন্নতৰ ৰূপ ব্যৱহাৰ কৰাৰ ক্ষেত্ৰত বিচাৰৰ মানদণ্ড কিমান ওপৰৰ মাত্ৰাৰ হ'ব লাগিব? এই প্ৰশ্ন সম্পূৰ্ণৰূপে আওকাণ কৰা হৈছে, কাৰণ এই মাত্ৰা কোনো নিয়মবদ্ধ নহয় (এই ক্ষেত্ৰত উল্লেখযোগ্য যে Gillian Sankoff এ পাৰস্পৰিক বোধগম্যতাৰ মাত্ৰা জুখিবৰ কাৰণে এটা প্ৰণালী বা নিয়মৰ উদ্ভাৱন কৰিছে (১৯৬৯), যিটোৱে প্ৰমাণ কৰিছে যে এটা ভাষিক সম্প্ৰদায়ত এনে পাৰস্পৰিক বোধগম্যতাৰ বিচাৰ আংশিকভাৱেহে ফলদায়ক হ'ব পাৰে।)

(গ) যিসকলে ভাষাৰ মান্য-ৰূপটো নকয় তেওঁলোকে মান্য-ৰূপটো কোৱা লোকসকলৰ ভাষা সহজতে বুজিব পাৰে; কিন্তু মান্য-ভাষা কোৱাসকলে আঞ্চলিক উপভাষা সহজতে বুজিব নোৱাৰে। ইয়াৰ কাৰণ হ'ল মান্য-ৰূপ নোকোৱাসকলে শিক্ষা-দীক্ষা বা অন্যান্য বিভিন্ন সাংস্কৃতিক ক্ষেত্ৰৰ জৰিয়তে মান্য-ৰূপৰ লগত সহজতে চিনাকি হয়। কিন্তু আঞ্চলিক উপভাষাসমূহত এনে সুবিধা নথকাৰ কাৰণে বা প্ৰয়োজনো নোহোৱাৰ কাৰণে মান্য-ভাষা কোৱাসকলে উপভাষা কোৱাসকলৰ ভাষা ভালদৰে বুজিব নোৱাৰে। এনে ক্ষেত্ৰত পাৰস্পৰিক বোধগম্যতাৰ নীতি ফলদায়ক হৈ নুঠে।

এনেবোৰ কথা চালি-জাৰি চাই আমি ক'ব পাৰোঁ যে পাৰস্পৰিক বোধগম্যতা এটা ভাষাৰ উপভাষাসমূহ চিহ্নিত কৰাৰ ক্ষেত্ৰত বা যথাযথভাৱে বৰ্ণনা কৰাৰ ক্ষেত্ৰত এক নিৰ্ণায়ক মাপকাঠি নহ'বও পাৰে। প্ৰথম কথা হ'ল বোধগম্যতা এটা আপেক্ষিক কথা; এনে এক মানদণ্ডৰে বিচাৰ কৰিবলৈ গ'লে ফলাফল শূন্যৰ ঘৰতহে পাব পাৰোঁ। তদুপৰি দুজন কওঁতাই একেটা ভাষাকে যে কৈছে তাক সূচনা কৰিবলৈ পৰস্পৰৰ ভাষা কিমানদূৰ বুজিব পাৰিছে সেই কথা আমি ধৰিব নোৱাৰোঁ। এই মতবাদৰ অসম্পূৰ্ণতাখিনি তলৰ উদাহৰণদ্বাৰা স্পষ্ট ৰূপত দেখুৱাব পাৰি।


সৰু সৰু গাঁও পাতি বিভিন্ন ফৈদ বসবাস কৰা এটা অঞ্চল বাছি লৈ অনুমান-নিৰ্ভৰ এক পৰীক্ষা কৰি চোৱা যাওক। ধৰা হওক তেনে গাঁওবোৰ এখনৰ পিছত আনখনকৈ কম ব্যৱধানেৰে ভাগ ভাগ হৈ বসবাস কৰি আছে। প্ৰথম গাঁওখনত প্ৰচলিত 'ক' উপভাষা দ্বিতীয়খন গাঁৱত প্ৰচলিত 'খ' উপভাষা পৰস্পৰ বোধগম্য; এনেদৰে 'খ' আৰু 'গ', 'গ' আৰু 'ঘ', 'ঘ' আৰু 'ঙ', 'ঙ' আৰু 'চ' উপভাষা তুলনা কৰোঁ, তেন্তে দেখিবলৈ পাম যে যিহেতু 'চ' উপভাষা 'ক'-ৰপৰা বহু দূৰত প্ৰচলিত সেইকাৰণে দুইটাৰ মাজত পাৰস্পৰিক বোধগম্যতা প্ৰায় শূন্য হ'ব। এনে স্থলত 'ক' আৰু 'চ' দুটা সুকীয়া ভাষা হিচাপেহে বিবেচনা কৰিব লাগিব। কিন্তু এই দুয়োটা ভাষাৰ সীমা নিৰ্ধাৰণ কৰাত জটিল সমস্যাই দেখা দিব কাৰণ প্ৰত্যেকটোৰ ওচৰা-উচৰিকৈ অৱস্থিত উপভাষাবোৰ নিবিড়ভাৱে সম্বন্ধযুক্ত, কিন্তু প্ৰথমটোৰপৰা একেবাৰে শেষত অৱস্থিত উপভাষাৰ মাজত ব্যৱধান যথেষ্ট। এনে কথা কেৱল তত্ত্ববিষয়ক বা কাল্পনিক বুলি ভাবিলেই নহ'ব কাৰণ পৃথিৱীত এনে বহু ঠাই আছে য'ত এনে এটা অৱস্থা বিৰাজমান। আফ্ৰিকা মহাদেশৰ বিশাল অঞ্চল জুৰি এনে উপভাষাৰ সমষ্টি বিয়পি আছে। আৰু সেই কাৰণে 'বাণ্টু' ভাষাৰ বিশেষজ্ঞসকলৰ মাজত সেই ভাষাৰ অন্তৰ্গত উপভাষাসমূহৰ সীমা নিৰ্ধাৰণ কৰাৰ ক্ষেত্ৰত যথেষ্ট পৰিমাণে অনৈক্য দেখিবলৈ পোৱা যায়। ❑❑

# উপভাষা সীমা নিৰ্ধাৰক

পৰম্পৰাগত 'উপভাষা বিজ্ঞান' বা 'উপভাষা ভূগোল'ৰ এটি অতি উল্লেখযোগ্য আৱিষ্কাৰ হৈছে Isogloss (উপভাষা সীমা নিৰ্ধাৰক)। Isogloss হৈছে দুটা অঞ্চলৰ ভাষাগত তাৰতম্য বা পাৰ্থক্যৰ ওপৰত ভিত্তি কৰি নিৰ্ধাৰণ কৰা সীমা (boundary)। এই ভাষাগত পাৰ্থক্য শব্দৰ উচ্চাৰণ বা বাক্য গঠনৰ যিকোনো ক্ষেত্ৰতেই হ'ব পাৰে। এই অধ্যায়ত উপভাষা বিজ্ঞানত উপভাষা সীমা নিৰ্ধাৰকৰ প্ৰয়োগ সম্বন্ধে আলোচনা কৰা হ'ব।

**ISOGLOSS :** ১৮৯২ খ্ৰীঃত J. G. A. Bielenstein নামৰ এজন লাটভিয়া (LATVIA) -ৰ উপভাষা বিজ্ঞানীয়ে পোন প্ৰথমে Isogloss প্ৰয়োগ কৰে। Bielenstein-ৰ isogloss শব্দটোৰ উৎস আছিল বতৰ বিজ্ঞান (meteorology)ত ব্যৱহাৰ কৰা isotherm (সমোষ্ণ ৰেখা) শব্দটো। বতৰ-বিজ্ঞান বা ভূগোল বিজ্ঞানত সমোষ্ণ ৰেখাৰ অৰ্থ হৈছে ভূ-মানচিত্ৰত সমান উষ্ণতাৰ স্থানসমূহক লগ লগোৱা কাল্পনিক ৰেখাডাল। উপভাষা বিজ্ঞানত isogloss-ৰ প্ৰয়োগ isotherm-ৰ সৈতে একে নহয়।

Isogloss আৰু ইয়াৰ প্ৰয়োগ তলত দিয়া ধাৰণাত্মক (hypothetical) উদাহৰণটোৰ দ্বাৰা বুজাবলৈ চেষ্টা কৰা হৈছে।




*মানচিত্ৰ : ৬*

ধৰিলোৱা হ'ল যে এটা কাল্পনিক ভাষা 'ভ'। এই 'ভ' ভাষাত অন্তৰ্নিহিত হৈ আছে দুটা অঞ্চলৰ দুটা উপভাষা 'ভ$_১$' আৰু 'ভ$_২$'। 'ভ$_১$'ৰ ভাষাগত বৈশিষ্ট্য Δ চিনৰ দ্বাৰা আৰু 'ভ$_২$' ৰ ভাষাগত বৈশিষ্ট্য O চিনৰদ্বাৰা বুজোৱা হৈছে [Δ বা O] এই



বৈশিষ্ট্য শব্দগত, ধ্বনিগত, ব্যাকৰণগত ইত্যাদি যি কোনোটো হ'ব পাৰে। এনে ধৰণৰ পৰিৱেশ এটাক সাধাৰণতে উপভাষা ভূগোলত মানচিত্ৰৰদ্বাৰা মানচিত্ৰ : ৬ ত দিয়া ধৰণে দেখুওৱা হয়।


প্ৰথমতে 'ভ' ভাষা কওঁতাসকলক কেন্দ্ৰ কৰি মানচিত্ৰখন প্ৰস্তুত কৰা হ'ল। এই মানচিত্ৰখনত কওঁতাসকলৰ মাজত পৰিলক্ষিত হোৱা Δ আৰু O বৈশিষ্টৰ পাৰ্থক্য অনুযায়ী বিন্দুবোৰ বহুওৱা হ'ল। প্ৰতিটো বিন্দুৱে কওঁতাসকলৰ মাজত পাৰ্থক্য ঘটা বিশেষ অঞ্চল নিৰ্ণয় কৰি দেখুৱাইছে। শেষত এই বিন্দুকেইটা লগ লগোৱা হ'ল আৰু তাৰ ফলত ক খ ৰেখাডাল পোৱা হ'ল। এইডাল ৰেখাই হৈছে isogloss আৰু ই দুয়োটা উপভাষা 'ভ$_১$' আৰু 'ভ$_২$'ৰ স্থান বা অঞ্চলসমূহ মানচিত্ৰখনত নিৰ্দিষ্ট কৰি দেখুৱাইছে।

"On linguistic maps, a line separating the areas in which language differs with respect to a given feature or features is called an isogloss" (A Dictionary of linguistics.)


সেয়েহে আমি isogloss ক ভাষাগত পাৰ্থক্যৰ ভৌগোলিক সীমা নিৰ্ধাৰক বুলি ক'ব পাৰোঁ।

Isogloss মানচিত্ৰত isogloss সমূহ যে সদায় এটা সুনিৰ্দিষ্ট পথতহে দেখা যায় সেইটো নহয়। কেতিয়াবা বহুতো isogloss-এ কোনো নিয়ম নমনাকৈ এডালৰ ওপৰত আন এডাল হেতা ওপৰাকৈ কটাকটি কৰা দেখা যায়।

অৱশ্যে কেতিয়াবা বহুতো isogloss-এ ওচৰা-উচৰিকৈ এটা নিয়ম মানি যোৱা দেখা যায়। এনেবোৰ isogloss -ক bundle of isogloss বোলা হয়। এনে ধৰণৰ bundle of isogloss-এ এটা সুনিৰ্দিষ্ট উপভাষাৰ নিদৰ্শন দাঙি ধৰে। সাধাৰণতে উপভাষা সীমা নিৰ্ণয়ৰ ক্ষেত্ৰত অকলশৰীয়া এটা isogloss-তকৈ bundle of isogloss-ৰ ওপৰত অধিক গুৰুত্ব দিয়া হয়। (A thicker bundle is more significant than a thinner one. – Hockett.) প্ৰতিডাল isogloss-এ এটা মাথোন ভাষাগত বৈশিষ্ট্য নিৰ্ণয় কৰে। যেতিয়া এখন ঠাইক বিন্দু হিচাপে লৈ কেইবাডালো isogloss-এ বৃত্ত (circle)ৰ আকাৰত ঘেঁৰি থাকিব তেতিয়া সেই ঠাইক কেন্দ্ৰক্ষেত্ৰ (focal area) বুলি কোৱা হয়। তলৰ চিত্ৰখনে এই কথা বুজাত সহায় কৰিব।




*চিত্ৰ : ৭*
*উপভাষা সীমা নিৰ্ধাৰকৰ থুপ*




*চিত্ৰ : ৮*

যেতিয়া এনে ধৰণৰ বৃত্তৰ আকাৰত থকা কেইবাটাও isogloss-ৰ বৃত্তই এখন ঠাই আগুৰি থাকে তেতিয়া সেই ঠাইক 'relic area' বোলা হয়। তলৰ চিত্ৰখনৰ ক ক্ষেত্ৰক relic area বুলিব পাৰি।

কোনো এখন উপভাষা ক্ষেত্ৰ নিৰ্ণীত কৰিবলৈ সদায় bundle* of isogloss-ৰ প্ৰয়োজন য'ত প্ৰতিডাল isogloss-এ অধিক ভাষাত বৈশিষ্ট্য চিহ্নিত কৰে। উপভাষা বিজ্ঞানত Bundle of isogloss-ৰ এটা অতি উল্লেখযোগ্য উদাহৰণ Gillieron আৰু Edmont অৰ ফৰাচী ভাষাৰ অন্তৰ্গত উপভাষাসমূহৰপৰা দিব পাৰি। তলত দিয়া ফ্ৰান্সৰ মানচিত্ৰত সেই দেশৰ দুখন উপভাষাৰ ক্ষেত্ৰত bundle of isogloss-ৰ দ্বাৰা ভাগ কৰা দেখা গৈছে।




*চিত্ৰ : ৯*

এই দুখন উপভাষা ক্ষেত্ৰৰ কথা কবি বাৰ্ণট্ দ্য অঁৰিয়াকে ১২৮৪ খ্ৰীঃতেই মন কৰিছিল। তেৰেঁই উত্তৰ ফ্ৰান্সত ব্যৱহাৰ কৰা ফৰাচী ভাষাক langue t'oil আৰু দক্ষিণ ফ্ৰান্সত ব্যৱহৃত ফৰাচী ভাষাক langue d' oc নাম দিছিল।

* *'bundle'* শব্দৰ প্ৰয়োগ ১৯৭৩ চনত পোন প্ৰথমে *Jochowitz* -এ কৰে।




*মানচিত্ৰ : ১০*

**Isolgoss-অৰ বৰ্গীকৰণ :**

উপভাষা সীমা নিৰ্ধাৰক বা isogloss-ক আমি পাঁচ ভাগত ভগাব পাৰোঁ। সেইকেইটা ভাগ হ'ল—

(১) শাব্দিক (lexical)

(২) উচ্চাৰণাত্মক (pronounciation) বা ধ্বনিগত (phonetic)

(৩) প্ৰাকৃতিগত (morphological)

(৪) বাক্য বিন্যাসাত্মক (syntactic)*

(৫) অৰ্থগত (semantic)

* *প্ৰাকৃতিগত আৰু বাক্য বিন্যাসাত্মক ভাগ দুটিক ব্যাকৰণগত (Grammatical) ভাগ বুলি ধৰা হয়।*

Scanned with CamSc

**(১) শাব্দিক উপভাষা সীমা নিৰ্ধাৰক (Lexical isogloss) :**

ইয়াৰদ্বাৰা শব্দৰ ভিন্নতাৰ কথা বুজোৱা হয়। অৰ্থাৎ একেটা বস্তু বা কাৰ্য বুজাবলৈ এটা সম্প্ৰদায়ৰ অন্তৰ্গত কৰ্ত্তাসকলে পৃথক শব্দ ব্যৱহাৰ কৰে। উদাহৰণস্বৰূপে অসমীয়া ভাষাতে উজনিত ল'ৰা-ছোৱালী, কামৰূপত আপা-আপি আৰু গোৱালপাৰা, ধুবুৰীত ছাৱা ব্যৱহাৰ কৰা দেখা যায়। এনে ধৰণৰ বহুতো উদাহৰণ পোৱা যায়।

**(২) উচ্চাৰণাত্মক বা ধ্বনিগত উপভাষা সীমা নিৰ্ধাৰক (Pronounciation or Phonetic isogloss) :** কৰ্ত্তাসকলৰ মাজত হোৱা উচ্চাৰণৰ ভিন্নতাৰ ওপৰত ভেটি কৰি উচ্চাৰণাত্মক উপভাষা সীমা নিৰ্ধাৰক নিৰ্ণয় কৰা হয়। এনেধৰণৰ isogloss শাব্দিক isogloss-ৰ সৈতে কেতিয়াবা একে হৈ যোৱাৰ প্ৰৱণতা দেখা যায়। অসমৰ উজনি অঞ্চল (উজনি অসম)ত প্ৰয়োগ হোৱা মূলীয় সংবৃতৌষ্ঠ নিম্ন স্বৰধ্বনি অ/D/ৰ বিপৰীতে পশ্চিম অসমৰ কামৰূপ আদি জিলাত মূলীয় সংবৃতৌষ্ঠ নিম্ন মধ্য স্বৰধ্বনি অ' /ɔ/ ৰ প্ৰয়োগ দেখা যায়। তলত ইয়াৰ উদাহৰণ দিয়া হ'ল।

| উজনি অসম | পশ্চিম অসমৰ জিলা |
| --- | --- |
| ক অ ণ ই | ক অ' ণ ই |
| ম অ ণ ই | ম অ' ণ ই |
| শ অ ন ই ৰ আ ৰ | শ অ' ন ই ৰ আ ৰ |

[এই পাৰ্থক্যৰ ওপৰত ভিত্তি কৰিও এডাল সীমা নিৰ্ধাৰক (isogloss) আঁকিব পাৰি]

উত্তৰ আমেৰিকাৰ উত্তৰ আৰু দক্ষিণ ভাগ লৈ মাৰ্কিন ইংৰাজীৰ দুখন উপভাষা ক্ষেত্ৰ দেখা যায়। Greasy শব্দৰ উচ্চাৰণত উত্তৰৰ উপভাষাসমূহৰ [S] ধ্বনিৰ উচ্চাৰণৰ দক্ষিণৰ উপভাষাসমূহত [z] ধ্বনি উচ্চাৰণ কৰা হয়। isogloss-ৰ ই এটা সুন্দৰ উদাহৰণ।

ওপৰত আলোচনা কৰা শাব্দিক আৰু ধ্বনিগত isogloss' ভাষা ব্যৱস্থাৰ অন্তৰ্গত শব্দ ভাণ্ডাৰ (lexicon)-ৰ সৈতে জড়িত। শব্দগত পাৰ্থক্যসমূহ অৱশ্যে ধ্বনিগত পাৰ্থক্যসমূহৰ তুলনাত তুলুৱা, কিয়নো কৰ্ত্তা এজনে স্ব-সচেতন হৈ মান্য ভাষাৰ শব্দ প্ৰয়োগ কৰিব পাৰে, কিন্তু ধ্বনিৰ উচ্চাৰণৰ ক্ষেত্ৰত ই ইমান সহজে সম্ভৱ নহয়। সেয়েহে কামৰূপী উপভাষা কৰ্ত্তা লোক এজনে মান্য-ভাষাৰ 'ক অ ণ ই'ৰ পৰিবৰ্তে 'ক অ' ণ ই বা 'শ অ ন ই'ৰ পৰিবৰ্তে 'শ অ' ন ই' ব্যৱহাৰ কৰে। এনে ধৰণৰ দৃষ্টান্ত বহুতো দেখা যায়।

ব্যাকৰণগত পাৰ্থক্যসমূহ দুই ভাগত ভগোৱা হৈছে। সেই ভাগ দুটা ওপৰত উল্লেখ কৰা প্ৰাকৃতিক (morphological) আৰু বাক্য বিন্যাসগত (syntactic)।

**(৩) প্ৰাকৃতিগত উপভাষা সীমা নিৰ্ধাৰক (Morphological isogloss) :**

প্ৰাকৃতিক স্তৰতো isogloss-ৰ সৃষ্টি হ'ব পাৰে। উদাহৰণস্বৰূপে উত্তৰ আমেৰিকাৰ দক্ষিণ অঞ্চলত ব্যৱহাৰ কৰা শব্দ help (help ক্ৰিয়াৰ অতীত কালৰ ৰূপ) আৰু উত্তৰ অঞ্চলত ব্যৱহাৰ হোৱা helped (মান্য ইংৰাজীৰ সৈতে একে) এই পাৰ্থক্যৰ কথা উল্লেখ কৰিব পাৰি। এই প্ৰাকৃতিগত পাৰ্থক্যক কেন্দ্ৰ কৰিয়েই এডাল isogloss-ৰ সৃষ্টি হৈছে। ইয়াৰদ্বাৰা আমেৰিকাৰ দক্ষিণ আৰু উত্তৰ অঞ্চলক দুখন উপভাষা ক্ষেত্ৰত ভাগ কৰাত সহায় হৈছে।

**(৪) বাক্য বিন্যাসাত্মক উপভাষা নিৰ্ধাৰক (Syntactic isogloss) :**

বাক্য বিন্যাসাত্মক উপভাষা নিৰ্ধাৰকৰ প্ৰয়োগ কোনো কোনো বাক্য গঠনৰ প্ৰক্ৰিয়াক কেন্দ্ৰ কৰিয়েই নিৰ্ণয় কৰিব পাৰি। কামৰূপৰ কোনো কোনো ঠাইত বিশেষকৈ ব্ৰহ্মপুত্ৰৰ দক্ষিণ কোণত (পলাশবাৰী, মিৰ্জা, আজাৰা আদি অঞ্চলত) "আপুনি ক'ৰপৰা আহিলে?" মান্য বাক্যৰ সলনি "আপুনি ক'ৰপেৰে আহিলি?" বাক্যৰ প্ৰয়োগৰ নিদৰ্শন দেখা যায়। এনে ধৰণৰ পাৰ্থক্যৰ ওপৰতো ভিত্তি কৰি isogloss-ৰ প্ৰয়োগ মানচিত্ৰত অতি সহজে দেখুৱাব পাৰি।

**(৫) অৰ্থগত উপভাষা সীমা নিৰ্ধাৰক (Semantic isogloss) :** একেটা শব্দৰে ভিন্ ভিন্ উপভাষাৰ ক্ষেত্ৰত ভিন্ ভিন্ অৰ্থ হোৱা দেখা যায়। উদাহৰণস্বৰূপে কামৰূপী উপভাষাৰ ক্ষেত্ৰত প্ৰায় সকলোতে 'আপা (মান্য ভাষাত ল'ৰা) আৰু 'আপি' (মান্য ভাষাত ছোৱালী) শব্দ দুটাৰ ব্যৱহাৰ প্ৰচুৰ। এই শব্দ দুটা অসমীয়া মান্য ভাষা আৰু উজনি অসমৰ বহুতো উপভাষাতো বৰ্তমান স্থান পোৱা দেখা গৈছে। কিন্তু শব্দ দুটাৰ এটা অৰ্থগত স্থানান্তৰণ পৰিলক্ষিত হৈছে। সেইটো হৈছে মান্য অসমীয়াত আৰু উজনিৰ উপভাষাসমূহত 'আপা' বুলিলে ঘৰৰ কনকৰা ল'ৰা আৰু 'আপি' বুলিলে কনকৰা ছোৱালীৰ কথাহে বুজায়।

এনে ধৰণৰ উদাহৰণক কেন্দ্ৰ কৰিয়েই অৰ্থগত উপভাষা সীমা নিৰ্ধাৰক (semantic isogloss) দ্বাৰা অসমৰ দুখন উপভাষাৰ ক্ষেত্ৰত কামৰূপ আৰু উজনি অসমক বিভাজন কৰিব পাৰি। □□

---

পাদটীকা—

ব্যাকৰণ
{ বাক্য / বাক্যাংশ / শব্দ } বাক্য বিন্যাস
{ শব্দ / প্ৰাকৃতি } প্ৰাকৃতি বিজ্ঞান

Scanned with CamSc